**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 09-06-2026
**Time :** 18-00 Hrs

## ASSAMESE EVEN BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ইউৰোপীয় সংঘৰ ৰাষ্ট্ৰদূতৰ সৈতে গুৱাহাটীত দ্বিপাক্ষিক বৈঠক।

২। ৰাজ্যিক মন্ত্ৰীসভাৰ সদ্য দায়িত্বপ্ৰাপ্ত মন্ত্ৰীসকলৰ নিজ নিজ বিভাগৰ কাম-কাজ সম্পাদনৰ বাবে তৎপৰতা বৃদ্ধি।

৩। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদন সন্দৰ্ভত ১৯ জুনত কেচ ডায়েৰী দাখিল কৰিবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ। *আৰু*

৪। উত্তৰ পূৰ্বাঞ্চলত ৰবৰ উদ্যোগৰ আধুনিকীকৰণ আৰু সম্প্ৰসাৰণৰ লক্ষ্যৰে ৰবৰ বোৰ্ডৰ বিভিন্ন উন্নয়নমূলক কাৰ্যসূচী ৰূপায়ণ।

ooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ইউৰোপীয় সংঘৰ ৰাষ্ট্ৰদূত হাৰৱে ডেলফিনৰ সৈতে গুৱাহাটীত দ্বিপাক্ষিক আলোচনাত মিলিত হয়। এই আলোচনাত ৰাজ্যৰ মুখ্য সচিব ড° ৰবি কোটাৰ লগতে ইউৰোপীয় সংঘৰ প্ৰতিনিধিসকল উপস্থিত থাকে। মুখ্যমন্ত্ৰীয়ে ইউৰোপীয় সংঘৰ প্ৰতিনিধিৰ সৈতে অসমলৈ অহা ভাৰতস্থিত ইউৰোপীয় ব্যৱসায়িক প্ৰতিষ্ঠানসমূহৰ সংঘ - এফ ই বি আই, ইণ্ডিয়াৰ সৈতেও ফলপ্ৰসূ আলোচনাত মিলিত হয়। এই আলোচনাকালত এখন বুজাবুজিৰ চুক্তিও স্বাক্ষৰ কৰা হয়। ইউৰোপৰ ২৫০ টাৰো অধিক প্ৰতিষ্ঠান আৰু ছহেজাৰৰো অধিক ব্যৱসায়িক সংযোগক প্ৰতিনিধিত্ব কৰা এফ ই বি আইৰ সৈতে অংশীদাৰিত্বৰ জৰিয়তে অসমৰ যুৱ শক্তি, কৃষক আৰু মহিলা উদ্যমীসকলৰ বাবে সম্ভাৱনাৰ নতুন দুৱাৰ মুকলি হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। সুদক্ষ মানৱ সম্পদ, উদ্যোগ নীতি আৰু অনুকুল উদগনি নীতিৰ জৰিয়তে অসমে ইতিমধ্যে নৱীকৰণযোগ্য শক্তি, কৃষি প্ৰ-সংস্কৰণকে ধৰি ভৱিষ্যমুখী খণ্ডত বিশ্বমানৰ বিনিয়োগ আৰু উদ্যোগৰ বাবে আকৰ্ষণীয় স্থলী হিচাপে পৰিগণিত হৈছে বুলি ড° শৰ্মাই উল্লেখ কৰে। ইয়াৰ আগেয়ে গুৱাহাটীৰ এখন আগশাৰীৰ হোটেলত ইউৰোপীয় সংঘৰ প্ৰতিনিধিৰ উপস্থিতিত 'ব্লু ভেলিজ ক্লাষ্টাৰ' শীৰ্ষক এখন কৰ্মশালা অনুষ্ঠিত হয়।

এই কৰ্মশালাত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে ইউৰোপীয় সংঘৰ সৈতে অংশীদাৰিত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

বাইট

এই কৰ্মশালাত দেশৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সচিব, বেলজিয়ামৰ ৰাষ্ট্ৰদূত, চুবুৰীয়া দেশ ভূটানৰ প্ৰতিনিধিসকল উপস্থিত থাকে। কৰ্মশালাত মূলতঃ অসম ৰাইজিং - দেশৰ উত্তৰ পূৰ্বাঞ্চলৰ কৌশলগত প্ৰৱেশদ্বাৰ, চাহৰ পৰা ছিপছলৈ ঃ অসমৰ পৰা বিশ্বব্যাপি মূল্যশৃংখলা গঢ়ি তোলা আৰু অসম ২০৩৫ ঃ বিকাশ, উদ্ভাৱন আৰু বহনক্ষম ভৱিষ্যতৰ বাবে যৌথ দৃষ্টিভংগী শীৰ্ষক বিষয়বস্তু সন্দৰ্ভত আলোকপাত কৰা হয়। মুখ্যমন্ত্ৰী ড° শৰ্মাৰ লগতে ইউৰোপীয় সংঘৰ প্ৰতিনিধিসকলে এখন সংবাদমেলত অংশ লয়। সংবাদমেলত মুখ্যমন্ত্ৰী ড° শৰ্মা আৰু ইউৰোপীয় সংঘৰ প্ৰতিনিধিয়ে এই 'ব্লু ভেলিজ ক্লাষ্টাৰ' কৰ্মশালাৰ পদক্ষেপক আদৰণি জনায়। এই কাৰ্যসূচীয়ে ইউৰোপৰ সৈতে অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ সম্পৰ্ক শক্তিশালী কৰি তুলিব আৰু পাৰস্পৰিক বিনিময় সম্ভৱ কৰিব বুলি সংবাদমেলত প্ৰকাশ কৰে।

উল্লেখযোগ্য যে এই ‘ব্লু ভেলী ক্লষ্টাৰ’ৰ জৰিয়তে ইউৰোপৰ সৈতে অসমৰ বাণিজ্য শৃংখল গঢ়ি তোলাৰ উদ্যোগ লোৱা হৈছে।

০০০০০

ৰাজ্যিক মন্ত্ৰীসভাৰ সদ্য দায়িত্বপ্ৰাপ্ত ১২ গৰাকী মন্ত্ৰীয়ে দায়িত্ব লাভ কৰাৰ পাছতে নিজ নিজ বিভাগৰ কাম-কাজ সম্পাদনৰ বাবে তৎপৰতা আৰম্ভ কৰাৰ লগতে অভিভাৱক মন্ত্ৰীসমূহে সংশ্লিষ্ট জিলাসমূহ ভ্ৰমণ কৰিছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে অনাগত সময়ৰ বাবে শিক্ষা বিভাগৰ কৰ্মসূচী প্ৰস্তুত কৰা সন্দৰ্ভত পৰ্যালোচনা বৈঠকত মিলিত হয়। তেওঁ শিক্ষকৰ বদলিকৰণ প’ৰ্টেল আৰু শিক্ষা সেঁতুৰ তথ্যও বিশ্লেষণ কৰে। লোকপিয়লৰ বাবে শিক্ষকৰ বদলিকৰণত বিলম্ব হ’ব পাৰে বুলিও ডাঃ পেগুৱে উল্লেখ কৰে।

বাইট

বৰপেটা জিলাৰ অভিভাৱক মন্ত্ৰীৰ দায়িত্ব লাভ কৰাৰ পাছত ৰাজ্যৰ সামাজিক ন্যায় আৰু সৰলিকৰণ, ভূমি সংৰক্ষণ আদি বিভাগৰ মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰ জিলাখনত উপস্থিত হয়। মন্ত্ৰীগৰাকীয়ে জিলাখনৰ সম্ভাব্য বান পৰিস্থিতি পৰ্যালোচনা কৰাৰ লগতে আগতীয়াকৈ ল’বলগীয়া ব্যৱস্থা সন্দৰ্ভত জিলা প্ৰশাসনৰ বিষয়ববীয়াসকলৰ সৈতে আলোচনাত মিলিত হয়। তেওঁ ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰতো সেৱা জনায়। সাংবাদিকৰ আগত মন্ত্ৰীগৰাকীয়ে অনাগত দিনত বৰপেটাৰ উন্নয়নৰ বাবে মুখ্যমন্ত্ৰীৰ পৰামৰ্শমৰ্মে কাম কৰি যাব বুলি জানিবলৈ দিয়ে। ইয়াৰ বাবে তেওঁ ৰাইজৰ সহায়-সহযোগিতা বিচাৰে। শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ অভিভাৱক মন্ত্ৰী বিমল বৰাই জিলা প্ৰশাসনৰ সৈতে পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰি জিলাখনৰ বিভিন্ন সমস্যা আৰু উন্নয়নমূলক কাম-কাজৰ অগ্ৰগতিৰ বুজ লৈছে। বৈঠকৰ পাছত সংবাদমেলত মন্ত্ৰীগৰাকীয়ে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ আঁচনিসমূহ দ্ৰুত আৰু দায়িত্বশীলভাৱে ৰূপায়ণ কৰিবলৈ জিলা প্ৰশাসনক আহ্বান জনায়।

০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদন সন্দৰ্ভত ১৯ জুনৰ ভিতৰত কেচ ডায়েৰী দাখিল কৰিবলৈ নিৰ্দেশ দিছে। আজি অভিযুক্তৰ জামিন আবেদনৰ শুনানি গ্ৰহণ কৰি ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠে কেচ ডায়েৰীৰ লগতে নিম্ন আদালতৰ গোচৰটো সম্পৰ্কীয় নথি-পত্ৰ দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে।

ইপিনে, ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতে আজি জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সংক্ৰান্তত পাঁচগৰাকী সাক্ষীৰ সাক্ষ্য গ্ৰহণ কৰে। চৰকাৰী পক্ষৰ সাক্ষী হিচাপে আজি বিশ্বজিৎ দাস, মহেশ্বৰ হালৈ, প্লাৱিতা বৰকাকতি, বেবী বৰা আৰু ছাহিদ শ্বান হক ফাষ্টট্ৰেক আদালতত হাজিৰ হয়। উল্লেখযোগ্য যে কালিৰেপৰা এই গোচৰৰ বিচাৰ প্ৰক্ৰিয়া অনুষ্ঠিত হৈছে আৰু কালি আদালতে মৰিগাঁও জিলাৰ তদানীন্তন আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাস, জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত এজাহাৰ দাখিল কৰা ৰাতুল বৰা, মৰিগাঁৱৰ ভাৰপ্ৰাপ্ত বিষয়া প্ৰণৱ শইকীয়া, আৰু আৰক্ষী পৰিদৰ্শক ভাস্কৰ বৰ্মনৰ সাক্ষ্য গ্ৰহণ কৰিছিল। এই গোচৰত সাক্ষী হিচাপে মুঠ ৩৯৪ গৰাকী লোকৰ নাম অন্তৰ্ভুক্ত হৈছে।

০০০০০

মণিপুৰৰ সেনাপতি আৰু পশ্চিম ইম্ফল জিলাত আৰক্ষীয়ে নিচাযুক্ত সামগ্ৰীসহ তিনিজন লোকক গ্ৰেপ্তাৰ কৰে। সেনাপতি জিলাৰ সেনাপতি থানাৰ অন্তৰ্গত টি খুলেন নাকা চকীত নিৰাপত্তা বাহিনীয়ে কালি নিশা অভিযান চলাই এই সামগ্ৰীখিনি জব্দ কৰাৰ লগতে অসমৰ দুজন বাসিন্দাক গ্ৰেপ্তাৰ কৰে বুলি মণিপুৰ আৰক্ষীৰ মুখ্য কাৰ্যালয়ৰ সূত্ৰই আজি প্ৰকাশ কৰে। গ্ৰেপ্তাৰ কৰা লোক দুজন দেবীপুৰৰ উৰিয়ামঘাটৰ নাচিমুদ্দিন আৰু গোমাৰিগুৰিৰ মনজিৎ বুলি জানিব পৰা গৈছে। দুয়োজন সৰবৰাহকাৰীৰ পৰা আৰক্ষীয়ে ১২ টা চাবোনৰ বাকচত নিষিদ্ধ সামগ্ৰীখিনি উদ্ধাৰ

কৰে। ইফালে পশ্চিম ইম্ফল জিলাৰ সাপাম মামাং লেইকাই নিবাসী নোংমাইথেম  ৰূপু সিং নামৰ আন এজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে।

ooooo

উত্তৰ পূৰ্বাঞ্চলত ৰবৰ উদ্যোগৰ আধুনিকীকৰণ আৰু সম্প্ৰসাৰণৰ লক্ষ্যৰে ৰবৰ বোৰ্ডে বিভিন্ন উন্নয়নমূলক কাৰ্যসূচী ৰূপায়ণ কৰিছে। গুৱাহাটীৰ এখন হোটেলত এই সন্দৰ্ভত আজি  কেন্দ্ৰীয় চৰকাৰৰ বাণিজ্য বিভাগৰ যুটীয়া সচিব শ্ৰীমতী কপিল চৌধুৰী আৰু ৰবৰ বোৰ্ডৰ কাৰ্যবাহী সঞ্চালক শ্ৰী এম বসন্তগেছনে এখন সংবাদ মেল সম্বোধন কৰে। বহল পৰিসৰত ৰবৰ খেতিৰ সম্প্ৰসাৰণ, আন্তঃগাথনি উন্নয়ন, দক্ষতা বিকাশ আৰু মূল্য সংযোজিত উদ্যোগৰ প্ৰচাৰৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে বুলি উল্লেখ কৰি শ্ৰীমতী কপিল চৌধুৰীয়ে সংবাদমেলত এইদৰে কয়।

বাইট- চৌধুৰী

ৰবৰ খেতিৰ উদ্যোগীকৰণৰ বাবে অসম, নাগালেণ্ড আৰু মেঘালয়ৰ বিভিন্ন প্ৰান্তত ১৭ টা আধুনিক গোট প্ৰক্ৰিয়াকৰণ কেন্দ্ৰ স্থাপন কৰা হৈছে। এই কেন্দ্ৰসমূহৰ জৰিয়তে দুৰ্গম আৰু জনজাতীয় এলেকাসমূহত তৃণমূল পৰ্যায়ত প্ৰক্ৰিয়াকৰণ আন্তঃগাথনি শক্তিশালী কৰিব পৰা যাব। নতুনকৈ স্থাপিত এই কেন্দ্ৰসমূহত অত্যাধুনিক ধোঁৱা ঘৰ, শুকুওৱাৰ ব্যৱস্থা, স্বাস্থ্যসন্মত প্ৰক্ৰিয়াকৰণ সুবিধা আৰু উন্নত মানৰ **ৰিবড স্মকড্ শ্বীট** উৎপাদনৰ সুবিধা সুনিশ্চিত কৰা হৈছে। প্ৰতিটো কেন্দ্ৰৰ নিৰ্মাণৰ বাবদ ৪০ লাখ টকাকৈ আৰ্থিক অনুদান আগবঢ়োৱা হৈছে। এই কেন্দ্ৰসমূহে ৰবৰৰ গুণাগুণ উন্নত কৰাৰ লগতে কৃষকৰ লোকচানো হ্ৰাস কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে। লগতে বজাৰত বিক্ৰীৰ যোগ্যতা বৃদ্ধি, সমবায় বিপনন ব্যৱস্থা শক্তিশালী কৰা আৰু জনজাতীয় তথা ক্ষুদ্ৰ ৰবৰ খেতিয়কসকলক সৱলীকৰণ কৰি গ্ৰাম্য নিয়োগৰ সুযোগ সৃষ্টি কৰিব বুলি ৰবৰ বোৰ্ডৰ কাৰ্যবাহী সঞ্চালক শ্ৰী এম বসন্তগেছনে জানিবলৈ দিয়ে।

এ টি এম এৰ সাহায্য পুজিৰে ৰূপায়িত ইন ৰোড প্ৰকল্পৰ অধীনত বিগত ৰোপণ বৰ্ষলৈকে ১ লাখ ৭৯ হাজাৰ ৩৭৬ হেক্টৰ এলেকাত ৰবৰ খেতি সম্প্ৰসাৰণ কৰা হৈছে। যাৰ ফলত ২ লাখ ৭ হাজাৰ ২৪৮ গৰাকী কৃষক উপকৃত হৈছে। চলিত বৰ্ষত প্ৰকল্পটোৰ বাকী থকা কামখিনি পূৰণ কৰা হ'ব।

অসমত ৰবৰ উদ্যোগৰ বিকাশ সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰত  কেন্দ্ৰীয় চৰকাৰৰ বাণিজ্য বিভাগৰ যুটীয়া সচিব শ্ৰীমতী কপিল চৌধুৰী আৰু ৰবৰ বোৰ্ডৰ কাৰ্যবাহী সঞ্চালক শ্ৰী এম বসন্তগেছনে এইদৰে কয়।

বাইট-বসন্তগেছন

ooooo

ডিব্ৰুগড় জিলাৰ ১৫ খন গাওঁ পঞ্চায়ত ৰাষ্ট্ৰীয় যক্ষ্মা নিৰ্মুল আঁচনিৰ অধীনত যক্ষ্মা মুক্ত বুলি ঘোষণা কৰা হৈছে। এই উপলক্ষে জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি এটা বঁটা বিতৰণ অনুষ্ঠান অনুষ্ঠিত হয়। জিলা আয়ুক্ত বিক্ৰম কৈৰী অনুষ্ঠানত উপস্থিত থাকি বঁটা বিজয়ী  গাওঁ পঞ্চায়তকেইখনৰ সভাপতি আৰু সচিবসকলক মহাত্মা গান্ধীৰ মূৰ্তি আৰু প্ৰশংসা পত্ৰ প্ৰদান কৰে। ইয়াৰে নাহৰকটিয়া উন্নয়ন খণ্ডৰ আমগুৰি গাঁও পঞ্চায়তে বিগত ৩ বছৰৰ ধাৰাবাহিকতা অব্যাহত ৰাখি এইবাৰো যক্ষ্মামুক্ত পঞ্চায়তৰ স্বীকৃতি বৰ্তাই ৰখাৰ বাবে সোণালী ৰঙৰ বিশেষ গান্ধী মূৰ্তি লাভ কৰিবলৈ সমৰ্থ হৈছে।

ooooo

ঃঃ সমাপ্ত ঃঃ